প্ৰেছ বিজ্ঞপ্তি

২১ অক্টোবৰ, ২০১৬

# আৰ বি আয়ে চেণ্ট্ৰেল বেংক অব ম্যানমাৰৰ সৈতে তদাৰকী সহযোগিতা আৰু তদাৰকী তথ্যৰ বিনিময় সম্পৰ্কত এমঅইউ স্বাক্ষৰ কৰিছে

ভাৰতীয় ৰিজাৰ্ভ বেংকে ১৯ অক্টোবৰ,২০১৬ত ম্যানমাৰ গণৰাজ্যৰ চেণ্ট্ৰেল বেংক অব ম্যানমাৰৰ সৈতে তদাৰকী সহযোগিতা আৰু তদাৰকী তথ্যৰ বিনিময় সম্পৰ্কত এখন পাৰস্পৰিক বুজাপৰাৰ চুক্তিত স্বাক্ষৰ কৰিছে। চেণ্ট্ৰেল বেংক অব ম্যানমাৰৰ হৈ ম্যানমাৰ চৰকাৰৰ বৈদেশিক পৰিক্ৰমা ৰাজ্যিক মন্ত্ৰী শ্ৰী ইউ ক্যাও টিন আৰু ৰিজাৰ্ভ বেংকৰ হৈ ডেপুটী গৱৰ্ণৰ শ্ৰী এছ এছ মুন্দ্ৰাই প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী আৰু ম্যানমাৰৰ ষ্টেট কাউন্সিলাৰ শ্ৰীমতী আউং মান ছ্যু ক্যীৰ উপস্থিতিত নতুন দিল্লীত আয়োজিত এক অনুষ্ঠানত এই এমঅইউত স্বাক্ষৰ কৰে।

ৰিজাৰ্ভ বেংকে অধিকতৰ সহযোগিতা আৰু তদাৰকী তথ্যৰ পাৰস্পৰিক যোগানৰ বাবে কেইবাখনো দেশৰ তদাৰক সকলৰ সৈতে তদাৰকী সহযোগিতা আৰু সহযোগিতাৰ প্ৰবিৱৰণ সম্পৰ্কত পাৰস্পৰিক বুজাপৰাৰ চুক্তি সম্প্ৰদান কৰিছে। এইখনকে ধৰি এনে ধৰণৰ ৩৪খন পাৰস্পৰিক বুজাপৰাৰ চুক্তি এতিয়ালৈ সম্পাদিত হৈছে।

**আল্পনা কিল্লাৱলা**
মুখ্য উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তি– ২০১৬–১৭/৯৯৫**